# 2024

## ASSAMESE

( Honours Core )

Paper : ASM–HC–4016

**( Tulanamulak Bharatiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'Comparative literature' পদটিৰ প্ৰয়োগ কোনে প্ৰথমে কৰিছিল ?

(খ) মাৰ্কিন সংহতিৰ প্ৰতিষ্ঠিত এগৰাকী প্ৰবক্তাৰ নাম উল্লেখ কৰা।

(গ) কোন চনত ভাৰতৰ 'সাহিত্য অকাডেমী' স্থাপন হৈছিল ?

(ঘ) কাঙালীৰ মাকৰ নাম কি আছিল ?

(ঙ) 'ৰাপ্‌চী' শব্দটোৰ অসমীয়া অৰ্থ কি ?

(চ) হিন্দী গল্প-সাহিত্যৰ প্ৰথম চুটিগল্পটিৰ নাম কি ?

(ছ) গান্ধীৰ ককাকৰ নাম কি আছিল ?

(জ) নিৰ্মলাৰ পিতৃৰ বৃত্তি কি আছিল ?

(ঝ) প্ৰেমচন্দৰ প্ৰকৃত নাম কি ?

(ঞ) 'পথেৰ পাঁচালী' উপন্যাসখন কেইটা অধ্যায়ত বিভক্ত ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ভাৰতীয় সাহিত্যৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(খ) 'ৰাপ্‌চী' গল্পৰ লগত অসমীয়া কোনগৰাকী গল্পকাৰৰ, কোনটো গল্পৰ তুলনা কৰিব পাৰি ?

(গ) 'গান্ধী' গল্পটোৰ দুটা পুৰুষ চৰিত্ৰৰ নাম উল্লেখ কৰা।

(ঘ) নিৰ্মলা কোন ? তেওঁৰ কাৰ লগত বিয়া হৈছিল ?

(ঙ) ইন্দিৰ ঠাকৰুণ কোন ? তেওঁ কিয় হৰিহৰৰ ঘৰত আশ্ৰয় লৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) তুলনামূলক সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(খ) তুলনামূলক সাহিত্যৰ ফ্ৰান্স-জাৰ্মান শাখাৰ বিষয়ে এটি টোকা লিখা।





(গ) 'অভাগীৰ স্বৰ্গ' গল্পটোত অভাগীৰ শেষ ইচ্ছা কি আছিল ? এই ইচ্ছা কাঙালীয়ে কিদৰে পূৰণ কৰিলে, তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

(ঘ) 'গান্ধী' গল্পটোত গান্ধী নামটোৰ বাবে কিশোৰগৰাকীয়ে কিদৰে লঘু-লাঞ্ছনাৰ সন্মুখীন হৈছিল, লিখা।

(ঙ) 'ৰাপ্‌চী' গল্পটোত মানসিক বিচ্ছিন্নতাই সৃষ্টি কৰা কাৰুণ্য গজাধৰ চৰিত্ৰটোৰ মাজেৰে কিদৰে চিত্ৰিত হৈছে, বুজাই লিখা।

(চ) 'পথেৰ পাঁচালী' উপন্যাসৰ সৰ্বজয়া চৰিত্ৰটো বিশ্লেষণ কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তুলনামূলক সাহিত্য অধ্যয়নৰ পদ্ধতিসমূহ কি কি ? যি কোনো দুটা পদ্ধতিৰ বিষয়ে চমুকৈ লিখা।

(খ) তুলনামূলক ভাৰতীয় সাহিত্যৰ ধাৰণা আৰু বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(গ) শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'অভাগীৰ স্বৰ্গ' গল্পটোত তাৰ প্ৰতিফলন কিদৰে ঘটিছে, আলোচনা কৰা।

(ঘ) 'গান্ধী' গল্পটোৰ অন্তৰ্নিহিত সামাজিক তাৎপৰ্য সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা।

(ঙ) মানৱীয় মূল্যবোধৰ অৱক্ষয় 'ৰাপ্‌চী' গল্পটোত কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(চ) 'নিৰ্মলা' উপন্যাসখনত তদানীন্তন সময়ৰ সমাজ-জীৱনৰ ছবি কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ছ) 'পথেৰ পাঁচালী' উপন্যাসৰ অপু চৰিত্ৰটোৰ আলোচনা আগবঢ়োৱা।

(জ) 'পথেৰ পাঁচালী' উপন্যাসত ঔপন্যাসিকে গ্ৰাম্য-জীৱনৰ উপস্থাপন কিদৰে কৰিছে, আলোচনা কৰা।

★★★